**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-05-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

জম্মু-কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ দেশবিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰি তুলিছে। এইপৰ্যন্ত অসম আৰক্ষীয়ে দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত বিভিন্ন জিলাৰ পৰা ৬১ জন লোকক গ্ৰেপ্তাৰ কৰিছে। শোণিতপুৰ আৰু শ্ৰীভূমি জিলাৰ পৰা ৪ জনকৈ লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হৈছে। আৰক্ষীৰ এই অভিযানত কাছাৰ জিলাৰ পৰা সৰ্বাধিক দেশ বিৰোধী মন্তব্য কৰাৰ অভিযোগ ৮ জনকৈ লোকক গ্ৰেপ্তাৰ কৰে। লগতে ধুবুৰী জিলাৰ পৰাও ৭ জন লোক আৰক্ষীয়ে একে অভিযোগৰ ভিত্তিত গ্ৰেপ্তাৰ কৰে। গোৱালপাৰা, হাইলাকান্দি, লখিমপুৰ আৰু বৰপেটা জিলাৰ পৰা তিনিজনকৈ লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। দৰং, গোলাঘাট, শিৱসাগৰ, বঙাইগাঁও আৰু ওদালগুৰি জিলাত আৰক্ষীয়ে অভিযান চলাই এজনকৈ লোকক গ্ৰেপ্তাৰ কৰে। হোজাই, কাৰ্বি আংলং, কোকৰাঝাৰ, কামৰূপ, নগাঁও, মৰিগাঁও, দক্ষিণ শালমাৰা, বিশ্বনাথৰ আৰু তামুলপুৰ জিলাৰ পৰা দুজনকৈ লোকক গ্ৰেপ্তাৰ কৰা বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি অসম আৰক্ষীয়ে এই অভিযান পৰৱৰ্তী সময়তো অব্যাহত ৰাখিব বুলি উল্লেখ কৰে। তেওঁ লগতে জনসাধাৰণক এনে দেশ বিৰোধী মন্তব্য দৃষ্টি গোচৰ হোৱাৰ মাত্ৰেই প্ৰশাসনক অৱগত কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে দেশ বিৰোধী মন্তব্য কৰাৰ অভিযোগত কাছাৰৰ পৰা সৰ্বাধিক ছজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। দেশ বিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে কোনো ধৰণৰ সহানুভূতি প্ৰদৰ্শন কৰা নহ'ব মুখ্যমন্ত্ৰী ড০ শৰ্মাই উল্লেখ কৰে।

০০০০০০

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত ভাৰতীয় সেনাবাহিনীয়ে লাভ কৰা সফলতাক জনসাধাৰণৰ সৈতে পৰিচয় কৰাই দিয়াৰ বাবে আকাশবাণীয়ে কেতবোৰ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। সেই অনুসৰি আকাশবাণী দিল্লী কেন্দ্ৰই পৰমবীৰ চক্ৰ লাভ কৰা দেশৰ বীৰ সেনানীসকলৰ বীৰগাথা আজিৰ পৰা প্ৰতিখন বাতৰি বুলেটিনতে প্ৰচাৰ কৰিছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগেও আজিৰে পৰা বাতৰি বুলেটিনসমূহত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰৰ দিহা কৰিছে। ইয়াৰ উপৰি অহা পৰহিলৈ নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত, ১৮ মে'ৰ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া সংবাদ চলন্তিকাতো কেইবাগৰাকীও বীৰ যোদ্ধাৰ অভিমত প্ৰচাৰ কৰা হ'ব।

০০০০০০

অসম সাহিত্য সভাৰ ২০২৫ -২০২৭ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিয়ে গ্ৰহণ কৰা সেঁতুবন্ধ কাৰ্যসূচী অহা ১৭, ১৮ আৰু ১৯ মে'ত কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাত আয়োজন কৰা হৈছে। দেশৰ বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত একতাৰ এনাজৰী সুদৃঢ় কৰিবলৈ অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে সেঁতুবন্ধ কাৰ্যসূচী ৰূপায়ণৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেই অনুসৰি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ

গোস্বামীৰ নেতৃত্বত আৰু অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ সমিতিৰ সৌজন্যত কাচাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাত চতুৰ্থ সেঁতুবন্ধ যাত্ৰা আৰম্ভ কৰা হ'ব। এই অনুষ্ঠানত বৰাক উপত্যকাৰ ভাষা সাহিত্য, কৃষ্টি সংস্কৃতিৰ লগতে অন্যান্য বিষয় সন্দৰ্ভত অধ্যয়ন কৰাৰ লগতে বিশিষ্ট নাগৰিক, কবি, সাহিত্যিক, সাংবাদিক, সাংস্কৃতিক কৰ্মী, বুদ্ধিজীৱী আদিৰ সতেও মত বিনিময় কৰা হ'ব। অনুষ্ঠানত ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী আৰু বিধায়কসকলে অংশ ল'ব বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। শিলচৰৰ অসম বিশ্ববিদ্যালয় চৌহদত ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ এটা প্ৰতিমূৰ্তি স্থাপনৰ বাবে সভাৰ প্ৰধান সম্পাদকৰ নেতৃত্বত এটা দলে ১৯ মে'ত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্যক সাক্ষাৎ কৰি এই সন্দৰ্ভত আলোচনাত মিলিত হ'ব। বিষয়টো সন্দৰ্ভত সভাই উপাচাৰ্যগৰাকীক এখন পত্ৰ প্ৰদান কৰিব। তদুপৰি বিশ্ববিদ্যালয়খনৰ এটি প্ৰেক্ষাগৃহ ড° ভূপেন হাজৰিকাৰ নামেৰে নামকৰণ কৰা আৰু বিশ্ববৰেণ্য শিল্পীগৰাকীৰ জন্ম শতবৰ্ষ পালনৰ কাৰ্যসূচীৰ আয়োজন কৰাৰ বাবে সাহিত্য সভাৰ দলটোৱে উপাচাৰ্যগৰাকীক আহ্বান জনাব।

০০০০০০

ৰাজ্যৰ অন্যান্য প্ৰান্তৰ দৰে যোৰহাটতো জিলা প্ৰশাসনৰ সহযোগত কৃষক পঞ্জীয়ন কাৰ্যসূচী অব্যাহত আছে। জিলা কৃষি বিষয়া কাৰ্যালয় আৰু জিলাখনৰ সাধাৰণ সেৱা কেন্দ্ৰসমূহত এই পঞ্জীয়নৰ ব্যৱস্থা কৰা হৈছে। পঞ্জীয়ন প্ৰক্ৰিয়া ক্ষিপ্ৰ কৰি তোলাৰ বাবে জিলা প্ৰশাসনে গাঁওসমূহত ঘৰে ঘৰে পঞ্জীয়নৰ ব্যৱস্থা হাতত লৈছে। উল্লেখযোগ্য যে কৃষি বিভাগৰ প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিকে ধৰি যিকোনো আঁচনিৰ সুবিধা গ্ৰহণ কৰিবলৈ কৃষক পঞ্জীয়নৰ প্ৰয়োজন হয়।

০০০০০০

অসম আৰক্ষীয়ে ৰাজ্যজুৰি নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে। শ্ৰীভূমি আৰক্ষীয়ে কালি অভিযান চলাই ৩ কোটি ৫০ লাখ টকা মূল্যৰ ড্ৰাগছ জব্দ কৰিবলৈ সমৰ্থ হৈছে। গোপন খবৰৰ ভিত্তিত আৰক্ষীয়ে জিলাখনৰ নিলামবজাৰ ৰে'লষ্টেচনত অভিযান চলাইছিল। আৰক্ষীৰ এই অভিযানত ৬১৬ গ্ৰামৰো অধিক ড্ৰাগছ জব্দ হোৱাৰ লগতে দুগৰাকী মহিলা ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে।

০০০০০০

সমাপ্ত